জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮০৯/২০২০

# চৰাইদেউ জিলাৰ চেপনত মহাবীৰ লাচিত বৰফুকনৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তি উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

**একবিংশ শতিকাৰ প্ৰতিযোগিতামূলক পৃথিৱীত নিজৰ সামৰ্থ্য প্ৰতিপন্ন কৰিবৰ বাবে অসমীয়া সমাজে মহাবীৰ লাচিত বৰফুকনৰ সময়ৰ হেৰোৱা বীৰত্ব আৰু মনোবল আজি পুনৰুজ্জীৱিত কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ২ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চৰাইদেউ জিলাৰ চেপনত মহান আহোম সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তি শুভ উন্মোচন কৰে। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ চেপন শাখাৰ উদ্যোগত স্থাপিত এই প্ৰতিমূৰ্তিৰ উচ্চতা প্ৰায় ৩৩ ফুট।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহাবীৰ লাচিত বৰফুকনৰ সাহস আৰু বীৰত্বই অসমীয়া মানুহক বিশ্বৰ বুকুত এক সুকীয়া পৰিচয় প্ৰদান কৰিলে। এই মহাবীৰগৰাকীৰ ব্যক্তিত্বই প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি অসমীয়া মানুহক নিজৰ জাতিৰ বাবে নিস্বাৰ্থভাৱে সেৱা কৰাৰ বাবে উদ্বুদ্ধ কৰি আহিছে। আজি উন্মোচন কৰা লাচিত বৰফুকনৰ এই প্ৰতিমূৰ্তিয়ে জাতিটোৰ প্ৰতি মহাবীৰগৰাকীৰ অমূল্য অৱদানৰ কথা সকলোকে সোঁৱৰাই থকাৰ লগতে সমাজৰ কল্যাণৰ বাবে কৰ্তব্যত ব্ৰতী হ'বলৈ আমাক সকলোকে উদ্বুদ্ধ কৰিব বুলি উল্লেখ কৰি এই মহৎ পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীয়ে সদৌ তাই আহোম ছাত্ৰ সন্থাৰ চেপন শাখাক ভূয়সী প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ছাত্ৰ সংগঠনটোৰ নেতৃবৃন্দ তথা ইয়াৰ সদস্যসকলক বৃহত্তৰ অসমীয়া সমাজক শক্তিশালী কৰাত অধিক সক্ৰিয় ভূমিকা পালনৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। আহোম স্বৰ্গদেউসকলৰ ঐক্য আৰু সম্প্ৰীতিৰ আদৰ্শই জাতিটোৰ ছয়শ বছৰীয়া এক গৌৰৱময় ইতিহাসৰ জন্ম দিলে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আহোম ৰাজত্বকালৰ এই ইতিহাসৰ অধিক গৱেষণাৰ প্ৰয়োজন আছে। এই প্ৰসংগতে তেওঁ ৪২ গৰাকী আহোম স্বৰ্গদেউৰ কাম-কাজ আৰু বৰঙনিসমূহৰ বিষয়ে নতুন প্ৰজন্মক অৱগত কৰি তেওঁলোকক উৎসাহিত কৰিবৰ বাবে ৰাজ্য চৰকাৰে হাতত লোৱা 'স্বৰ্গদেউ সমন্বয় ক্ষেত্ৰ' স্থাপনৰ প্ৰয়াসৰ কথাও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আজি বিশ্ব সম্প্ৰদায়ে একেমুখে ঐক্য, শান্তি আৰু সম্প্ৰীতিৰ কথা দোহৰাৰ বহু যুগ আগেয়েই আহোম স্বৰ্গদেউসকলে তেওঁলোকৰ ৰাজত্বকালত এই মহৎ মূল্যবোধৰ আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে মহাবীৰ লাচিত বৰফুকনৰ আদৰ্শ অনুসৰণ কৰি অসমৰ ৰাইজেও অসমীয়া মানুহৰ পৰিচয়, সংস্কৃতি আৰু ঐতিহ্য সুৰক্ষিতকৰণৰ বাবে নিজকে আত্ম-নিয়োগ কৰিব লাগিব। শত্ৰুক পৰাস্ত কৰাৰ বাবে বীৰ লাচিতে গ্ৰহণ কৰা পথে অসমীয়া মানুহৰ শক্তি আৰু সামৰ্থ্যৰ এক

উজ্জ্বল নিদৰ্শন দাঙি ধৰিছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে একবিংশ শতিকাৰ প্ৰতিযোগিতামূলক পৃথিৱীত নিজৰ সামৰ্থ্য প্ৰতিপন্ন কৰিবৰ বাবে অসমীয়া সমাজে এই হেৰোৱা বীৰত্ব আৰু মনোবল আজি পুনৰুজ্জ্বীৱিত কৰিব লাগিব।

আজি অসম দিৱস উপলক্ষে মুখ্যমন্ত্ৰী সোণোৱালে স্বৰ্গদেউ চাওলুং চ্যুকাফালৈ গভীৰ শ্ৰদ্ধা নিৱেদন কৰাৰ লগতে ৰাইজলৈ শুভেচ্ছা জ্ঞাপন কৰে আৰু সমাজত ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ প্ৰসাৰৰ বাবে কৰ্তব্যত ব্ৰতী হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, কুশল দুৱৰী, নৱনীতা সন্দিকৈ, বিমল বৰা, ঋতুপৰ্ণ বৰুৱা আৰু তেৰচ গোৱালা, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সভাপতি ড° দয়ানন্দ বুঢ়াগোঁহাই, ডিব্ৰুগড় জিলা পৰিষদৰ সভানেত্ৰী ডেইজী ৰাণী ফুকন শ্যাম, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ চৰাইদেউ শাখাৰ উপ সভাপতি দয়ানন্দ ফুকন, সংগঠনটোৰ চেপন শাখাৰ সভাপতি ৰিচাৰ্ডছন কোঁৱৰকে ধৰি অন্যান্য বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ / প্ৰঃকুঃবঃ**

**২/১২/২০২০**